# সংযুক্ত আৰব আমীৰশ্বাহীত ভাৰতীয় সমুদায়ৰ কাৰ্যক্ৰম - "আহলান মোদী"ত প্ৰধানমন্ত্ৰীৰ বাৰ্তালাপ

১৩ ফেব্ৰুৱাৰী ২০২৪

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে সংযুক্ত আৰব আমীৰশ্বাহীত তেওঁৰ সন্মানত আয়োজিত ভাৰতীয় সমুদায়ৰ কাৰ্যক্ৰম 'আহলান মোদী' অনুষ্ঠানত ভাষণ দিয়ে। এই অনুষ্ঠানত ৭খন আমীৰাটৰ পৰা ভাৰতীয় প্ৰবাসী লোকে অংশগ্ৰহণ কৰে আৰু ইয়াত সকলো সম্প্ৰদায়ৰ ভাৰতীয় লোকে অংশগ্ৰহণ কৰে। দৰ্শকৰ মাজত আমীৰাটীসকলো অন্তৰ্ভুক্ত আছিল।

২. প্ৰধানমন্ত্ৰী মোদীয়ে আবুধাবিৰ জায়েদ স্প'ৰ্টছ চিটি ষ্টেডিয়ামত প্ৰৱেশ কৰাৰ লগে লগে ৪০ হাজাৰ দৰ্শকে তেওঁক উষ্ম আদৰণি জনায়। নিজৰ ভাষণত প্ৰধানমন্ত্ৰীয়ে ভাৰত আৰু ইউ এ ইৰ মাজত দ্বিপাক্ষিক সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ ক্ষেত্ৰত ভাৰতীয় প্ৰব্ৰজনকাৰীয়ে আগবঢ়োৱা অৱদান সন্দৰ্ভত নিজৰ মতামত ব্যক্ত কৰে। প্ৰধানমন্ত্ৰীয়ে ভাৰতীয় সমুদায়ৰ প্ৰতি দেখুওৱা দয়া আৰু যত্নৰ বাবে ইউ এ ইৰ শাসক আৰু চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে। বিশেষকৈ, কঠিন কোভিড সময়ত গ্ৰহণ কৰা বিশেষ যত্নৰ কথা উল্লেখ কৰে যেতিয়া ভাৰতীয় প্ৰবাসীসকলক সম্ভৱপৰ সকলো সাহায্য প্ৰদান কৰা হৈছিল। প্ৰধানমন্ত্ৰীয়ে বিগত ১০ বছৰত দেশত যি অগ্ৰগতি লাভ কৰিছে সেই সন্দৰ্ভতো তেওঁৰ দৃষ্টিভংগী ব্যক্ত কৰে আৰু আস্থা প্ৰকাশ কৰে যে ভাৰতে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰত হোৱাৰ পথত ২০৩০ চনৰ ভিতৰত তৃতীয় বৃহত্তম অৰ্থনীতি হিচাপে পৰিগণিত হ'ব। তেওঁ লগতে কয় যে ভাৰত "বিশ্ববন্ধু" আৰু বিশ্বৰ প্ৰগতি আৰু কল্যাণত অৰিহণা যোগাই আছে।

৩. সংযুক্ত আৰব আমীৰশ্বাহীত প্ৰায় ৩৫ লাখ ভাৰতীয় নাগৰিক থাকে, যি পৃথিৱীত আন ঠাইত থকা ভাৰতীয় নাগৰিকৰ সৰ্বাধিক জনসংখ্যা। এই কাৰ্যক্ৰমক বাস্তৱতে স্মৰণীয় কৰিবলৈ "আহলান মোদী"ৰ প্ৰস্তুতি কেইবামাহৰ পৰা চলি আছিল।

**আবু ধাবি**
**১৩ ফেব্ৰুৱাৰী ২০২৪**